অসম আদিত্য

RNI REGN. No. : ASSA
epaper.asomad
Portal : www.ason
e-mail : asomadity

৮ ভাদ, ১৯৪৮ শক ■ শনিবাৰ, ৫ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Saturday, September 5, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশিত ■

স্বাস্থ্য
নৰসিংহ পাতত থক
যৌগে গ্লক জবিয়াৰ
লগতে শৰীৰৰ পৰা
নিৰ্মূল কৰে

কানৈৰ ৰাজনীতি বিজ্ঞান বিভাগৰ নৱাগত আদৰণী সভা

ষ্টাফ ৰিপৰ্টাৰ, ৪ ছেপ্টেম্বৰঃ বিফলতাক সফলতাৰ খোজ হিচাপে গ্ৰহণ কৰাসকলেই জীৱনত সফল হ'ব পাৰে। বিফলতাক সফলতাৰ দিশে আগবঢ়াৰ একোটা খোজ হিচাপে গ্ৰহণ কৰিব পৰা লোকেহে জীৱনত প্ৰকৃত সফলতা অৰ্জন কৰিব পাৰে। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত বিভাগটোৰ নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নৱাগত আদৰণী সভাৰ লগত সংগতি ৰাখি আয়োজন কৰা শিক্ষক দিৱসত আদৰণী ভাষণ প্ৰদান কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰী সমীৰ কোঁৱৰ, নিশিতা গগৈ, চয়নিকা বুঢ়াগোহাঁই আৰু কুনাল সিংহই আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষ ড০ শইকীয়াই কয়— জীৱনত কেতিয়াও বিফলতাৰ সন্মুখীন নোহোৱা এজন ব্যক্তিয়ে আচলতে নতুন কিবা এটা কৰাৰ বাবে কেতিয়াও সাহস কৰা নাই বুলি বুজিব লাগিব। সেয়ে বিফলতাত হতাশ হৈ পিছ হুঁহকি যোৱাৰ পৰিৱৰ্তে, বিফলতাৰ পৰা শিক্ষা লৈ নতুন উদ্যমেৰে আগলৈ আগুৱাই যাব লাগে। তেওঁ কয়— জীৱনৰ প্ৰকৃত সফলতা কেৱল চাকৰি, ধন-সম্পত্তি বা ব্যক্তিগত প্ৰতিষ্ঠাৰ মাজতে সীমাবদ্ধ নহয়, আনৰ জীৱনলৈ সহায়, সহমৰ্মিতা আৰু ইতিবাচক পৰিৱৰ্তন কঢ়িয়াই আনিব পৰাতহে সফলতাৰ প্ৰকৃত অৰ্থ নিহিত হৈ থাকে। জীৱনত আমি কিমান লাভ কৰিলোঁ, সেয়া আটাইতকৈ গুৰুত্বপূৰ্ণ কথা নহয়, বৰং আমি যি লাভ কৰিলোঁ, তাৰ কিমানখিনি আনৰ কল্যাণৰ বাবে ব্যৱহাৰ কৰিলোঁ, সেয়াহে অধিক তাৎপৰ্যপূৰ্ণ। ড০ শইকীয়াই কয়— প্ৰকৃত সফলতা নিজৰ উন্নতিতেই সীমাবদ্ধ নাথাকে, নিজৰ সামৰ্থ আৰু সক্ষমতাৰে সমাজৰ পিছপৰি থকা, বঞ্চিত আৰু অসহায় লোকসকলৰ দুখ-কষ্ট অনুভৱ কৰি তেওঁলোকৰ বাবে কিবা এটা কৰিব পৰাতহে জীৱনৰ সাৰ্থকতা আৰু প্ৰকৃত উপলব্ধি নিহিত হৈ থাকে। অনুষ্ঠানত মহাবিদ্যালয়ৰ পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক ড০ মৃদুল শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলে আয়োজন কৰা অনুষ্ঠানটোত থাকিবলৈ পাই যথেষ্ট উৎসাহিত হৈছো বুলি মত প্ৰকাশ কৰে। ভাষণ প্ৰসংগত ড০ শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জীৱনৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ নিজকে প্ৰস্তুত কৰি তুলিবলৈ আহ্বান জনায়। উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলীয়ে ছাত্ৰ-ছাত্ৰীসকলে তেখেতক নিমন্ত্ৰণ কৰিবলৈ যোৱা অভিনৱ পন্থাটোক শলাগ লৈ ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ৰ এক প্ৰকৃত প্ৰতিফলন ঘটিছে বুলি মন্তব্য কৰে। পৌৰাণিক ভাৰতৰ জ্ঞানকোষৰ ব্যৱহাৰ আজিৰ ছাত্ৰ-ছাত্ৰীয়ে ব্যৱহাৰ কৰাটোক তেখেতে শলাগ লয়। কানৈ মহাবিদ্যালয়ৰ দাঁতা পৰিয়ালৰ সদস্য তথা পৰিচালনা সমিতিৰ অন্যতম সদস্য জ্যোতিপ্ৰসাদ কানৈয়ে উক্ত অনুষ্ঠানত উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক কানৈ মহাবিদ্যালয়ক নিৰ্বাচন কৰি নিজৰ শিক্ষা জীৱন আৰম্ভ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰি কয় যে কানৈ মহাবিদ্যালয়ে অনাগত দিনসমূহত সৰ্ব্বভাৰতীয় পৰ্যায়ৰ পৰীক্ষাসমূহৰ বাবে নিজকে প্ৰস্তুত কৰি তুলিবলৈ চেষ্টা কৰিব লাগে য'ত ৰাজনীতি বিজ্ঞান বিভাগে এক ধনাত্মক ভূমিকা পালন কৰিব পাৰিব বুলি মত প্ৰকাশ কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ নিৰ্মালী পেগুৱে জ্যেষ্ঠ ছাত্ৰ-ছাত্ৰীসকলে বিভাগৰ নতুনকৈ নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্যে অনুষ্ঠিত কৰা এনে এক সুন্দৰ অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে জ্যেষ্ঠসকলক শুভেচ্ছা জ্ঞাপন কৰে লগতে নৱাগত ছাত্ৰ-ছাত্ৰীসকলক অনাগত দিনসমূহত কানৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ একোজন সদস্য হিচাপে সকলোৰে লগতে আগবাঢ়ি যাবলৈ আহ্বান জনায়। বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড০ লামখ'লাল ডুঙেলে ইমান সুন্দৰকৈ এনে এটা অনুষ্ঠান অনুষ্ঠিত কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক ভূঁয়সী প্ৰশংসা কৰে। নৱাগত আদৰণী সভা আৰু শিক্ষক দিৱসৰ লগত সংগতি ৰাখি ৰাজনীতি বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে নিমন্ত্ৰিত অতিথিসকলক ফুলাম গামোছা, একোখনকৈ সম্বৰ্ধনা-পত্ৰ প্ৰদান কৰে। আজি অনুষ্ঠিত বিভাগটোৰ নৱাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা বিপ্লৱ বুঢ়াগোহাঁই আৰু অংকিতা সোনোৱালক শ্ৰেষ্ঠ নৱাগতাৰ খিতাপ প্ৰদান কৰা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত মহাবিদ্যালয়ৰ শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, ৰাজনীতি বিজ্ঞানৰ সহযোগী অধ্যাপক তথা কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কানৈ মহাবিদ্যালয়ৰ সমন্বয়ক ড০ বিৰাজ দত্ত, অধ্যাপক শিৱনাথ চুতীয়া, অধ্যাপিকা মৃদুস্মিতা নেওগকে ধৰি চাৰি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে পঞ্চম ষাণ্মাসিকৰ ছাত্ৰ চিন্ময় হাজৰিকাই।

বৈৰাগীমঠ-শান্তিপাৰাত চোৰৰ তাণ্ডৱ

ডিব্ৰুগড়, ৪ ছেপ্টেম্বৰ ঃ ডিব্ৰুগড়ৰ ব্যস্ত বৈৰাগীমঠ অঞ্চলত আজি পুৱতি নিশা প্ৰায় ৩ বজাত সংঘটিত এক চুৰি কাণ্ডই সমগ্ৰ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ম'ম মিয়া ষ্ট'ৰৰ সমীপত থকা এখন হাৰ্ডৱেৰ দোকানৰ তলা ভাঙি দুষ্কৃতিকাৰীৰ এটা দলে নগদ ধনৰ লগতে বহু মূল্যৱান সামগ্ৰী লৈ উধাও হোৱাৰ অভিযোগ উত্থাপন হৈছে। অঞ্চলটোৰ চিচিটিভি ফুটেজত হেলমেট আৰু মাস্কেৰে মুখ ঢাকি মটৰ চাইকেল আৰু স্কুটাৰত অহা বেইবাজনীয়া দুষ্কৃতিকাৰীৰ দলটো স্পষ্টভাৱে আবদ্ধ হৈছে। হাৰ্ডৱেৰ দোকানখনত লুট-পাট চলোৱাৰ উপৰি দলটোৱে কাষৰে এখন ফাৰ্মাচীৰো তলা ভাঙিবলৈ চেষ্টা চলাইছিল যদিও বিফল হয়। নিশাৰ ভাগত সংঘটিত এই ঘটনাৰ পিছতে স্থানীয় ব্যৱসায়ী আৰু ৰাইজ ব্যাপক নিৰাপত্তাহীনতাত ভোগা দেখা গৈছে। ইতিমধ্যে আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰাৰ লগতে চিচিটিভি ফুটেজসমূহ গভীৰভাৱে প্ৰত্যক্ষ কৰি চোৰৰ দলটোক চিনাক্ত কৰাৰ চেষ্টা চলাইছে। চুৰি হোৱা সম্পত্তিৰ প্ৰকৃত পৰিমাণ আৰু অপৰাধীৰ পৰিচয় এতিয়াও পোহৰলৈ অহা নাই। আনহাতে, আজি পুৱতি নিশা প্ৰায় ৪.৩০ বজাত চহৰখনৰ কে পি ৰোডস্থিত শান্তিপাৰাত এঘৰ আৱাসিক লোকৰ ঘৰৰ চৌহদত প্ৰৱেশ কৰি এজন অচিনাক্ত দুষ্কৃতিকাৰীয়ে ঘৰুৱা এলপিজি চিলিণ্ডাৰ চুৰি কৰাৰ অপচেষ্টা চলায়। গৃহস্থই সময়মতে গম পাই চিএৰ-বাখৰ কৰাত ধৰা পৰাৰ ভয়ত চোৰটোৱে লগে লগে পলায়ন কৰে। পলোৱাৰ সময়ত দুষ্কৃতিকাৰীজনে নিজৰ ঠেলাখনো ঘটনাস্থলীতে এৰি যায়। ফলত কোনো সামগ্ৰী চুৰি কৰিবলৈ সক্ষম নহ'ল দুষ্কৃতিকাৰীজন। সমগ্ৰ ঘটনাটো আৱাসগৃহটোৰ চিচিটিভি কেমেৰাত আবদ্ধ হৈছে।

প্ৰতিবাদী সমদল

লন বন্ধ কৰক, গাঁজা, ড্ৰাগ্ছ আদি প্ৰচলন বন্ধ
ন বন্ধ কৰক আদি শ্ল'গানেৰে প্ৰায় দুই কিলো মিটাৰ
বাল বজাৰত উপস্থিত হয়। বজাৰখন পৰিভ্ৰমণ